# ১৯৫১ চনৰ বাগিচা শ্ৰম আইন
# আৰু ১৯৫৬ চনৰ বাগিচা অসম বিধি

বাগিচা শ্ৰম আইন এখন শ্ৰমিক কল্যাণ আইন। এই আইনখন ১৯৫১ চনত প্ৰণয়ন কৰা হয়। ৫ হেক্টৰ মাটি থকা বাগিচাত ১৫ জন মানুহে কাম কৰিলে এই আইনখন প্ৰযোজ্য হয়।

**১) কেণ্টিন (ধাৰা ১১) ঃ**

সাধাৰণতে ১৫০ জন বা তাতকৈ অধিক শ্ৰমিক থকা প্ৰত্যেক চাহ বাগিচাতে শ্ৰমিক সকলৰ কাৰণে এখন বা অধিক সংখ্যাৰ কেণ্টিন থাকিব লাগিব।

কেণ্টিনখনকে ধৰি কেণ্টিনৰ সকলো বাচন-বৰ্তন, চকী-মেজ আদি বাগিচা কৰ্তৃপক্ষই যোগান ধৰিব। তাৰোপৰি কেণ্টিনৰ কাৰিকৰ আৰু অন্যান্য লোক সকলক বাগিচা কৰ্তৃপক্ষই নিজৰ ফালৰ পৰা হাজিৰা দিব লাগিব। এই কেণ্টিনখন এখন কমিটিৰ দ্বাৰা পৰিচালিত হ'ব আৰু এই কেণ্টিনৰ বিক্ৰী কৰা চাহ-মিঠাই আদিৰ দাম লাভ নোহোৱাকৈ যোগান ধৰিব লাগিব।

**২) ক্ৰেছঘৰ (ধাৰা ১২) ঃ**

যি বাগিচাত আগৰ ১২ মাহৰ যিকোনো দিনত ৫০ গৰাকী বা তাতকৈ অধিক মহিলা শ্ৰমিক নিযুক্ত আছিল বা আছে তেনেধৰণৰ প্ৰত্যেক বাগিচাতে মহিলা সকলে কাম কৰা ঠাইৰ সুবিধাজনক ঠাইত ২ বছৰ বা তাতকৈ সৰু কেঁচুৱাৰ কাৰণে বাগিচা কৰ্তৃপক্ষই প্ৰতি ২৫ একৰ চাহখেতি বা তাৰ অংশ বিশেষৰ কাৰণে একোখনকৈ ক্ৰেছঘৰ দিব আৰু ৰাখিব লাগিব। ২ বছৰৰ পৰা ৬ বছৰৰ ভিতৰৰ শিশুৰ বাবে মূল বাগিচাত ১ খন আৰু শাখা বাগিচা (ডিভিজন) থাকিলে তাতো একোখনকৈ ক্ৰেছঘৰ দিব লাগিব।

**৩) বিনোদন কেন্দ্ৰ বা ক্লাবঘৰ (ধাৰা ১৩) ঃ**

বাগিচা কৰ্তৃপক্ষই বাগিচাৰ প্ৰতি ১৭৫ টা পৰিয়ালৰ কাৰণে বা তাৰ

অংশ বিশেষৰ কাৰণে একোটাকৈ ক্লাবঘৰ দিব লাগিব।

ক্লাবঘৰত তলত দিয়া সামগ্ৰীসমূহ বাগিচা কৰ্তৃপক্ষই ৰাখিব লাগিব।

(ক) টি.ভি. (খ) কেৰমবৰ্ড (গ) এখন দৈনিক বাতৰি কাকত (ঘ) অন্যান্য খেলৰ সামগ্ৰীসমূহ।

**৪) শিক্ষাদানৰ বাবে স্কুলঘৰ (ধাৰা ১৪) ঃ**

(১) যিবিলাক বাগিচাত ৬ বছৰৰ পৰা ১২ বছৰ বয়সৰ ভিতৰৰ শ্ৰমিকৰ সন্তানৰ সংখ্যা ২৫ তকৈ অধিক হয়, তেনে প্ৰত্যেকখন বাগিচাৰ কাৰণে এখন বা অধিক প্ৰাথমিক স্কুল ৰাখিব লাগিব।

কিন্তু যদিহে চৰকাৰে বা কোনো স্থানীয় কৰ্তৃপক্ষৰ পোনপটীয়া পৰিচালনাত শ্ৰমিকসকলৰ বাসস্থানৰ ১ মাইলৰ ভিতৰত বিনামূলীয়াকৈ প্ৰাথমিক আৰু তাৰ উচচ পৰ্যায়ৰ শিক্ষা দিবৰ কাৰণে স্কুল আছে আৰু যদি তাত ৬ বছৰৰ আৰু ১২ বছৰ বয়সৰ ভিতৰৰ শিশুসকলৰ নামভৰ্তিৰ কাৰণে যথেষ্ট আসন আছে নতুবা অন্য কোনো আইনৰ অধীনত যদি প্ৰাথমিক শিক্ষাৰ বাবদ কোনো কৰ বা উপকৰ দিব লগা হয় তেনে ক্ষেত্ৰত বাগিচা কৰ্তৃপক্ষই স্কুল নিদিয়াকৈ থাকিব পাৰে।

(২) সংশ্লিষ্ট বাগিচা কৰ্তৃপক্ষই প্ৰাথমিক স্কুলত ভৰ্তি হোৱা প্ৰতি ৪০ জন ছাত্ৰ-ছাত্ৰী বা তাৰ অংশ বিশেষৰ কাৰণে একোজনকৈ শিক্ষক বা শিক্ষয়িত্ৰী নিয়োগ কৰিব লাগিব।

(৩) স্কুলৰ পাঠক্ৰম, পাঠ্যকাল, মানদণ্ড আৰু পাঠ্য তালিকা ৰাজ্যিক শিক্ষা বিভাগৰ দ্বাৰা অনুমোদিত হ'ব লাগিব।

(৪) প্ৰাথমিক স্কুলত পঢ়াৰ কাৰণে কোনো মাচুল ল'ব নোৱাৰিব।

**৫) পানী যোগান (ধাৰা ১৫) ঃ**

প্ৰত্যেক ৪টা বা ৫টা পৰিয়ালৰ মাজত এটা টিউবৱেল বাগিচা কৰ্তৃপক্ষই দিব লাগিব।

**৬) আলিবাট ঃ**

ঘাই ৰাস্তাৰ পৰা নিজৰ নিজৰ ঘৰলৈ অহা যোৱা কৰা ৰাস্তাটো ওখ আৰু অন্ততঃ ৫ ফুট বহল হ'ব লাগিব।

৭) থকা ঘৰ (ধাৰা ১৫) ঃ

(১) বাগিচাৰ ভিতৰত কাম কৰা প্ৰত্যেকজন শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালক থাকিবলৈ বাগিচা কৰ্তৃপক্ষই একোটাকৈ ঘৰ দিব। এই ঘৰবিলাক পকা আৰু চৰকাৰৰ অনুমোদিত হ'ব লাগিব। এইদৰে নিৰ্মিত প্ৰত্যেক ঘৰতে একোটাকৈ পায়খানা থাকিব। প্ৰত্যেক বাগিচাই বছৰি শতকৰা ৮টা পৰিয়ালৰ হিচাপত শ্ৰমিকৰ থকাঘৰৰ ব্যৱস্থা কৰি দিব লাগিব।

কিন্তু বাগিচা কৰ্তৃপক্ষই লিপিবদ্ধ কৰি ৰখা সন্তোষজনক কাৰণত আৰু হাউচিং বৰ্ডৰ পৰামৰ্শক্ৰমে ৰাজ্য চৰকাৰে শতকৰা নিৰ্দিষ্ট হাৰত নিৰ্মাণ কৰিব লগা ঘৰৰ সংখ্যা শিথিল কৰি দিব পাৰে।

(২) ঘৰৰ মেৰামতি ঃ প্ৰত্যেক বাগিচা কৰ্তৃপক্ষই শ্ৰমিকৰ ঘৰসমূহত বছৰেকত এবাৰকৈ চূণ আৰু প্ৰতি ৩ (তিনি) বছৰৰ মূৰে মূৰে এবাৰকৈ দৰ্জা-খিৰিকী আদিত তেল আৰু বাৰ্ণিচ দিব লাগিব।

(৩) ঘৰ দখল ঃ

(ক) ঘৰ দখলকাৰীয়ে কোনো কৰ্তৃত্ব নোহোৱাকৈ কোনো ঘৰ বঢ়াব বা ঘৰৰ কোনো সলনি কৰিব নোৱাৰে।

(খ) বাগিচা কৰ্তৃপক্ষৰ লিখিত নিৰ্দেশ নহ'লে ঘৰ দখলকাৰীসকলে কাৰোবাৰ লগত ঘৰৰ বদলি কৰিব নোৱাৰিব।

(গ) দখলকাৰীয়ে ঘৰৰ কোনো অংশক আনক ভাড়াত দিব নোৱাৰিব।

(ঘ) ঘৰৰ কোঠাত বা বাৰান্দাত কোনো গৰু বা ছাগলী বান্ধিব নোৱাৰিব।

(৪) চাকৰি শেষ হোৱাৰ পিছত ঘৰ দখল ঃ

(ক) মৃত্যু হ'লে, বদলি হ'লে, কৰ্মচ্যুতি হ'লে, অৱসৰ ল'লে বা ত্যাগপত্ৰ দিলে ২ মাহতকৈ অধিক কাল শ্ৰমিকে ঘৰ ৰাখিব নোৱাৰিব।

(খ) কোনো শ্ৰমিক কামৰ পৰা বৰ্খাস্ত হ'লে, কিন্তু সেই বৰ্খাস্ত সম্পৰ্কে কোনো ট্ৰিবিউনেল বা অন্য বিচৰালয়ত গোচৰ শেষ নোহোৱা পৰ্যন্ত ঘৰটো ৰাখিব পাৰিব।

(৫) ২২ আগষ্ট, ২০০৩ তাৰিখে ৰাজ্য চৰকাৰে শ্ৰমিকৰ থকা ঘৰৰ নতুন মানদণ্ড আৰু আৰ্হিমতে তলত দিয়া ধৰণে হ'ব।

(১) প্ৰত্যেকজন শ্ৰমিকৰ থকা ঘৰসমূহ ৩ টা কোঠা হ'ব আৰু কোঠাবোৰ আকাৰ হ'ব ১০ ফুট × ১৪ ফুট, ১০ ফুট × ১২ ফুট আৰু ৮ ফুট × ১০ ফুট, সন্মুখত ৬ ফুট × ১০ ফুট এখন বাৰান্দা, পিছফালে ৩ ফুট × ৮ ফুটৰ এখন বাৰান্দা আৰু ৭ ফুট × ৮ ফুট দৈৰ্ঘ্যৰ এটা পাকঘৰৰ লগতে ৩.৬ ইঞ্চি × ২ ফুট বহল চৌকা থাকিব লাগিব।

(২) ফ্ল'ৰৰ পৰা ঘৰৰ পষ্ট প্লেটলৈকে ঘৰৰ উচ্চতা ১০ ফুট ২ ইঞ্চি হ'ব আৰু পাকঘৰৰ পিছফালৰ বেৰখন ৮ ফুট উচ্চতাৰ হ'ব। ঘৰৰ মাটিৰ পৰা ফাউণ্ডেশ্বন ১ ফুট ৬ ইঞ্চি হ'ব।

(৩) ঘৰৰ ওলোৱা সোমোৱাৰ বাবে দুৱাৰ থাকিব আৰু দুৱাৰৰ মাপ হ'ল ৭ ফুট × ৪ ফুট আৰু খিৰিকিৰ হ'ব ৪.৫ ফুট × ৩ ফুট প্ৰতিটো দুৱাৰ খিৰিকিৰ ফ্ৰেম লো বা প্ৰথম বিভাগৰ কাঠ হ'ব লাগিব।
ফাউণ্ডেশ্বন ঃ ঘৰৰ ফাউণ্ডেশ্বন ১ ফুট ১০ ইঞ্চি পকাৰ হ'ব।
পিন্থ ঃ ৱালসমূহ ১০ ইঞ্চি ইটা চিমেণ্টৰ হ'ব।
ফ্ল'ৰ ঃ ঘৰৰ মজিয়া শিল চিমেণ্ট আৰু ইটাৰে নিৰ্মিত পকী হ'ব।
প'ষ্ট (খোটা) ঃ ঘৰৰ পষ্টসমূহ লোহাৰ ৰড থকা পকী হ'ব।
ৱাল (বেৰ) ঃ পকী হ'ব।
মূধচ ঃ ঘৰৰ ওপৰ চাদ ২০ গাগেজ জি, চি, আই, চিমেণ্টৰ নিৰ্মিত হ'ব।
চিলিং ঃ বাহ বা ধৰাৰে চিলিং নিৰ্মিত হ'ব।
পাকঘৰ ঃ পাকঘৰত চিম্‌নি হ'ব লাগিব।

(৪) দুটা ব্লক (ঘৰৰ মাজত অন্তত ৩০ ফুট হ'ব লাগিব আৰু ঘৰৰ চাৰিসীমা ৩,০০০ বৰ্গক্ষেত্ৰৰ হ'ব লাগিব। যৌথ আৰ্হিৰ ঘৰৰ ক্ষেত্ৰত চাৰিসীমা ৫,০০০ বৰ্গক্ষেত্ৰ হ'ব লাগিব।

(৫) প্ৰত্যেক ঘৰত শৌচাগাৰ আৰু গা-ধোৱা ঘৰ থাকিব লাগিব। শৌচাগাৰসমূহ UNICEF আৰ্হিৰ হ'ব। শৌচাগাৰ ৪ ফুট × ৬ ফুট দৈৰ্ঘ্যৰ হ'ব আৰু মজিয়াৰ পৰা ৬ ফুট ওখ হ'ব। শৌচাগাৰৰ মজিয়া পকী হ'ব। গা-ধোৱা ঘৰ ৫ ফুট × ৬ ফুট দৈৰ্ঘ্য আৰু মজিয়াৰ পৰা ৬

ফুট ওখ হ'ব আৰু মজিয়া পকী হ'ব। গা-ধোৱা ঘৰ আৰু শৌচাগাৰৰ ওপৰৰ চাদ-টিং থাকিব আৰু পানী ওলাব পৰা ব্যৱস্থা থাকিব লাগিব।

৬) আলিবাট ঃ লাইনৰ আলিবাটসমূহ ইটাৰে নিৰ্মিত ১২ ফুট বহল আৰু দুয়োফালে নলা থকা হ'ব লাগিব।

**৮) সাপ্তাহিক ছুটী, কামৰ সময়, জিৰণি ঃ**

(১) প্ৰাপ্ত বয়স্ক শ্ৰমিকে সপ্তাহত ৪৮ ঘণ্টাতকৈ আৰু চেমনীয়া (১৪ বছৰৰ পৰা ১৭ বছৰ বয়সৰ) শ্ৰমিকে সপ্তাহত ২৭ ঘণ্টাতকৈ বেছি সময় কাম কৰিব নোৱাৰিব।

(২) কোনো শ্ৰমিকে দৈনিক ৮ ঘণ্টাতকৈ বা সপ্তাহত ৪৮ ঘণ্টাতকৈ বেছি কাম কৰে তেনেহ'লে সেই অতিৰিক্ত কাম কৰা প্ৰতি ঘণ্টাৰ বাবে সাধাৰণ হাজিৰাৰ দুগুণ হিচাপত সেই অতিৰিক্ত সময়ৰ বাবে হাজিৰা পাব।

কিন্তু তেনে শ্ৰমিকক কোনো দিনত ১ ঘণ্টাতকৈ অধিক বা সপ্তাহত ৫৪ ঘণ্টাৰ অধিক সময়ৰ কাৰণে কাম কৰিবলৈ দিব নোৱাৰিব।

(৩) প্ৰত্যেক শ্ৰমিকে সপ্তাহত এদিন ছুটী পাব। কোনো শ্ৰমিক এই ছুটীৰ দিনত কাম কৰিলে তেওঁ সেই দিনটোৰ বাবে দুগুণ হাজিৰা পাব, কিন্তু একেৰাহে ১০ দিন কাম কৰিলে ১ দিন ছুটী দিব লাগিব।

(৪) প্ৰত্যেক দিনৰ কামৰ সময়খিনি একেদৰে ঠিক কৰিব লাগিব যাতে কোনো শ্ৰমিকে, একেৰাহে কৰা কামৰ সময় পাঁচ ঘণ্টাতকৈ বেছি হ'ব নোৱাৰিব আৰু অন্ততঃ আধা ঘণ্টাৰ জিৰণি নোলোৱাকৈ একেৰাহে পাঁচ ঘণ্টাৰ অধিক সময় কাম কৰিব নালাগিব।

(৫) প্ৰত্যেকখন বাগিচাতে প্ৰত্যেক দিনৰ কামৰ সময় স্পষ্টভাৱে উল্লেখ কৰি বিধিত দিয়া ব্যৱস্থাৰে কামৰ সময়ৰ একোখন জাননী শুদ্ধভাৱে প্ৰদৰ্শন কৰিব আৰু ৰাখিব লাগিব।

(৬) কোনো শ্ৰমিক নিৰ্দিষ্ট সময়ত কাম আৰম্ভ হোৱাৰ আধা ঘণ্টাতকৈ বেছি সময় পলম কৰি কামলৈ আহিলে বাগিচা কৰ্তৃপক্ষই শ্ৰমিকজনক সেইদিনৰ কাৰণে কাম কৰিবলৈ নিদিব পাৰে।

৯) ল'ৰা-ছোৱালী নিয়োগ নিষিদ্ধ ঃ

১৪ বছৰৰ তলৰ কোনো ল'ৰা-ছোৱালীক বাগিচা কৰ্তৃপক্ষই কামত নিয়োগ কৰিব নোৱাৰিব।

**১০) হাজিৰা সহ বছৰেকীয়া ছুটী (Leave With Wages) :**

১) প্ৰত্যেক প্ৰাপ্তবয়স্ক শ্ৰমিকে ২০ দিনত এদিন আৰু অপ্ৰাপ্তবয়স্ক শ্ৰমিকে (১৮ বছৰৰ কম) ১৫ দিনত ১ দিন হিচাপত হাজিৰা সহ বছৰেকীয়া ছুটী পাব।

২) বছৰেকীয়া ছুটী হিচাপ কৰাৰ নিয়ম ঃ

(ক) কোনো এক দিনত কাম নহ'লে বা আধা বেলাতকৈ কম কাম হ'লে সেই দিনটো বছৰেকীয়া ছুটীৰ হিচাপ কৰোতে ১ দিন বুলি ধৰা নহয়।

(খ) কোনো এক দিনত আধাবেলা বা আধাবেলাতকৈ বেছি কাম হ'লে ১ দিন বুলি ধৰা হ'ব।

(গ) কোনো শ্ৰমিকে বছৰেকীয়া ছুটী ল'লে উক্ত সময় ছোৱাৰ ভিতৰত বন্ধৰ দিন পৰিলে তাক বছৰ ছুটীৰ ভিতৰত ধৰা নহ'ব।

(ঘ) যদি কোনো শ্ৰমিকে কোনো বছৰত তেওঁ পাব লগা বছৰেকীয়া ছুটী নলয় তেন্তে উক্ত ছুটী তেওঁ পৰৱৰ্তী বছৰত পাব লগা ছুটীৰ লগত জমা হ'ব আৰু তেওঁ এইদৰে সৰ্বাধিক ৩০ দিনৰ ছুটী পোৱাৰ যোগ্যতা থাকিব।

(ঙ) যদি কোনো শ্ৰমিকৰ বছৰ ছুটী পাব লগা থাকে আৰু তেওঁক যদি বাগিচা কৰ্তৃপক্ষই কামৰ পৰা বহিস্কাৰ কৰে তেনেহ'লে তেওঁৰ বছৰ ছুটীৰ বাবদ পাবলগা টকা খিনি বাগিচা কৰ্তৃপক্ষই দ্বিতীয় পষেকীয়া দৰমহাৰ আগতে দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

(চ) বছৰেকীয়া ছুটীৰ হাজিৰা শ্ৰমিকজনে বছৰটোত উপাৰ্জন কৰা ধনৰ গড় অনুপাতে পাব।

(ছ) যিসকল প্ৰাপ্তবয়স্ক শ্ৰমিকে ৪ দিনতকৈ বেছি আৰু চেমনীয়া শ্ৰমিকৰ (১৮ বছৰৰ তলত) ক্ষেত্ৰত ৫ দিনতকৈ বেছি বছৰেকীয়া ছুটী লাভ কৰে তেওঁলোকক বাগিচা কৰ্তৃপক্ষই বছৰেকীয়া ছুটী দিয়াৰ

ডিচ্‌পেন্সৰী ৰাখিব লাগিব। ডিচ্‌পেন্সৰীত ঃ

(ক) এজন ফাৰ্মাচিষ্ট

(খ) এগৰাকী নাৰ্ছ

(গ) দুখন বিচনা

(ঘ) নিতৌ এজন চিকিৎসকে ডিচ্‌পেন্সৰীত নিয়মীয়াকৈ নিয়মিত সময়ৰ কাৰণে পৰিদৰ্শন কৰিব লাগিব।

৪) যদি কোনো বাগিচাত আউট গাৰ্ডেন, ডিভিজন থাকে য'ত ২০০ জন শ্ৰমিকে কাম কৰে আৰু বাগিচা হস্পিতেল তেওঁলোকৰ বাসস্থানৰ পৰা ২ কিঃ মিঃ দূৰ হয় তেন্তে তাত এখন ডিচ্‌পেন্সৰী থাকিব লাগিব।

৫) বাগিচা হস্পিতেলত ঃ

১) এজন পূৰ্ণকালীন ডক্টৰ (প্ৰতি ১৭৫০ জন শ্ৰমিকলৈকে)

২) এজন কম্পাউণ্ডৰ (প্ৰতি ১৭৫০ জন শ্ৰমিকলৈকে)

৩) এগৰাকী ধাই (প্ৰতি ১৭৫০ জন শ্ৰমিকলৈকে)

৪) এগৰাকী নাৰ্ছ (প্ৰতি ৩০০ জন শ্ৰমিকৰ বিপৰীতে)

৫) এজন হেল্‌থ এছিচটেণ্ট (প্ৰতি ২১০০ জন শ্ৰমিকলৈকে)

* বাগিচা হস্পিতেলৰ পৰা অন্য হস্পিতেললৈ ৰোগীক অনা-নিয়া কৰিবৰ বাবে নিয়মীয়াকৈ যান-বাহনৰ ব্যৱস্থা কৰিব লাগিব।

* যদি কোনো বাগিচাত ৫০০ জন শ্ৰমিক থাকে তেনেহ'লে তাতো ১ জন ডাক্টৰ, ১ জন কম্পাউণ্ডৰ, এগৰাকী ধাই, ১ গৰাকী হেল্‌থ এছিচটেণ্ট থাকিব লাগিব।

৫) বাগিচা হস্পিতেলত তলত দিয়া বিভাগবোৰ থাকিব লাগিব ঃ

(ক) পুৰুষৰ বাবে সাধাৰণ ৱাৰ্ড বা কক্ষ।

(খ) মহিলাৰ বাবে সাধাৰণ ৱাৰ্ড বা কক্ষ।

(গ) প্ৰসৱৰ কাৰণে প্ৰসূতি কোঠা।

(ঘ) পৰিয়াল পৰিকল্পনা ব্যৱস্থা।

(ঙ) যক্ষ্মা আৰু যৌন ব্যাধি চিকিৎসা বিভাগ।

(চ) বহিঃ চিকিৎসা বিভাগ।

(ছ) ৰোগী পৰীক্ষা কৰা কোঠাত ৰোগীক আবুৰৰ মাজত পৰীক্ষা

আগতে ছুটীৰ পইচা দিব লাগিব।

**১১) বেমাৰ ছুটী (Sick leave) :**

১) প্ৰত্যেক শ্ৰমিকে বেমাৰী বুলি প্ৰমাণ পত্ৰ পোৱা প্ৰত্যেক দিনৰ ছুটীৰ বাবে বাগিচা কৰ্তৃপক্ষৰ পৰা ১ বছৰত ১৪ দিন পৰ্য্যন্ত বেমাৰী ছুটী পাব।

২) বেমাৰী ছুটী পোৱা শ্ৰমিকে দৈনিক হাজিৰাৰ ২/৩ ভাগহে পাব।

৩) কোনো শ্ৰমিকে বেমাৰত পৰা প্ৰথম ২ দিনৰ কাৰণে বেমাৰী হাজিৰা নাপাব। কিন্তু আগৰ বেমাৰী হাজিৰা পোৱা অসুখৰ ১৫ দিনৰ ভিতৰত পুনৰ বেমাৰত পৰিলে সেই বেমাৰৰ সকলো দিনৰ কাৰণে বেমাৰী হাজিৰা পাব।

৪) কোনো শ্ৰমিকে বছৰটোত যদি বেমাৰী ছুটী ল'ব লগা নহয় তেন্তে এই ছুটী তেওঁ পিছৰ বছৰলৈ জমা ৰাখিব পাৰিব, কিন্তু এইদৰে বেমাৰী ছুটী সৰ্বাধিক ৩০ দিনলৈকে জমা ৰখাৰ ব্যৱস্থা থাকিব।

৫) ইয়াৰ উপৰিও শ্ৰমিকজনে চলিত বছৰত পাব লগা ১৪ দিনৰ বেমাৰী ছুটীও পাব।

৬) শ্ৰমিকজনে ইচ্ছা কৰিলে তেওঁৰ বেমাৰী ছুটীৰ লগত বাকী থকা বছৰেকীয়া ছুটী বেমাৰী ছুটীৰ আগত বা পিছত যোগ দিব পাৰিব।

**চিকিৎসা সুবিধা ঃ হস্পিতেল, ডিচপেন্সৰী ঃ**

আইনৰ ১০ ধাৰা মতে প্ৰত্যেকখন বাগিচাত চিকিৎসাৰ কাৰণে হস্পিতেল আৰু ডিচপেন্সৰীৰ সুযোগ থাকিব লাগিব।

১) যি বাগিচাত ৫০০ বা তাতকৈ বেছি শ্ৰমিকে কাম কৰে সেই বাগিচাসমূহতো একোখনকৈ বাগিচা হস্পিতেল থাকিব লাগিব।

২) ৫০০তকৈ কম শ্ৰমিক কাম কৰা বাগিচাত বাগিচা কৰ্তৃপক্ষই অন্য কোনো বাগিচা হস্পিতেলত ৰাখিব পাৰে বা বাগিচা অফিচৰ পৰা ৫ কিঃ মিঃ ভিতৰত অন্য হস্পিতেলত প্ৰতি এহাজাৰ শ্ৰমিকৰ মাজত ১৫ খনৰ হিচাপত বিচনা ৰাখিব লাগিব।

৩) ওপৰৰ বাগিচা বা অন্য হস্পিতেলত বিচনা ৰখা বাগিচা বিলাকে তেওঁলোকৰ বাগিচাৰ বহিঃৰোগৰ সুবিধাৰ কাৰণে নিজাকৈ একোখন

কৰিব পৰাকৈ সুবিধা থাকিব লাগিব।

(জ)ক্ষুদ্ৰ অস্ত্ৰোপচাৰ আৰু ড্ৰেছিং কোঠা।

(ঝ)ঔষধ দিয়া আৰু ঔষধ ৰখা কোঠা।

(ঞ) সাধাৰণ গুদাম ঘৰ।

(ট) পাকঘৰ মাখি সোমাব নোৱাৰা ব্যৱস্থা।

(ঠ) সাধাৰণ সংক্ৰামক ৰোগীক আছুতীয়াকৈ ৰাখিবৰ কাৰণে সুকীয়া সৰু কক্ষ।

(ড)সাধাৰণ কক্ষ আৰু আছুতীয়া কক্ষৰ পৰা যুক্তিসংগত দূৰত্বত যক্ষ্মা ৰোগীৰ কাৰণে হস্পিতেলত এটি সুকীয়া ৱাৰ্ড থাকিব লাগিব আৰু তাত তেনে ৰোগীৰ কাৰণে সম্পূৰ্ণ সুকীয়াকৈ পায়খানা আৰু গা-ধোৱা ঘৰ থাকিব লাগিব।

৭) প্ৰত্যেক হস্পিতেলৰ পৰা গ্ৰুপ হস্পিতেললৈ বিনামূলীয়াকৈ ৰোগী অনা-নিয়া কৰিবৰ বাবে যান-বাহনৰ ব্যৱস্থা থাকিব লাগিব।

৮) প্ৰত্যেক হস্পিতেলত খোজ কাঢ়িব নোৱৰা ৰোগীক ঘৰৰ পৰা ডিচ্‌পেন্সৰীলৈ বা হস্পিতেললৈ অনা-নিয়া কৰিবৰ বাবে ভাৰীৰ সৈতে চাঙি (ষ্ট্ৰেচাৰ) থাকিব লাগিব।

৯) যিবিলাক বাগিচাৰ কাৰণে ওচৰৰ বাগিচা হস্পিতেলত বা অন্য হস্পিতেলত বিছনা ৰখা স্বত্ব আছে তেনে বাগিচাৰ পৰিচালকে বিনামূলীয়াকৈ ৰোগীক হস্পিতেললৈ অনা-নিয়া কৰিব লাগিব।

১০) ডিচ্‌পেন্সৰী বা হস্পিতেলত দিয়া চিকিৎসা যথোচিত হোৱা নাই বুলি কোনো আপত্তি উঠিলে ৰাজ্য চৰকাৰে অতি কমেও জিলা স্বাস্থ্য বিষয়াৰ পৰ্যায়ৰ বিষয়াৰ দ্বাৰাই এই সম্পৰ্কে অনুসন্ধান কৰাব পাৰিব আৰু ৰাজ্য চৰকাৰে প্ৰয়োজনীয় বুলি বিবেচনা কৰা অতিৰিক্ত চিকিৎসাৰ নিৰ্দেশ দিব পাৰিব।

১১) কোনো পৰিচালকে এই বিধি সমূহত বান্ধি দিয়াৰ দৰে চিকিৎসাৰ সুযোগ মুখ্য বাগিচা পৰিদৰ্শক সন্তুষ্ট হ'ব পৰাকৈ যদি নিদিয়ে তেনেহ'লে মুখ্য বাগিচা পৰিদৰ্শকে ওচৰৰ কোনো বাগিচা হস্পিতেল, ডিচ্‌পেন্সৰীত বা জিলা বোৰ্ডৰ হস্পিতেলত বা তেনেধৰণৰ আন কোনো

হস্পিতেল, ডিচ্‌পেন্সৰীত সেই চিকিৎসাৰ সুবিধা দিয়াব পাৰিব বা মুখ্য বাগিচা পৰিদৰ্শকে প্ৰয়োজনবোধ কৰিলে সাধাৰণ আদেশ বা বিশেষ আদেশ দি যিকোনো অৰ্হতাসম্পন্ন ডক্টৰৰ হতুৱাই চিকিৎসা দিয়াব পাৰিব বা সুবিধাজনক অন্য হস্পিতেলত এই চিকিৎসা দিয়াব পাৰিব। পৰিচালক বা স্বত্বাধিকাৰীয়ে এই চিকিৎসাৰ খৰচ বহন কৰিব লাগিব, লগতে তলত দিয়া কাৰণত যদি টকা খৰচ হয় তাকো নিয়োগকাৰীয়ে বহন কৰিব লাগিব।